

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

বিজ্ঞান

অধ্যায় – ৮

বতাহ, ধুমুহা আৰু ঘূৰ্ণিবতাহ

অংশ-৩

প্ৰশ্ন উত্তৰ

জাহ্নৱী দাস

অনুশীলনী



1 তলৰ উক্তিবোৰত থকা খালী ঠাই পূৰ্ণ কৰা—


(a) বতাহ হ'ল বায়ুৰ ..... অৱস্থা।

(b) ভূ-পৃষ্ঠত উত্তাপৰ ..... বাবে বতাহৰ উৎপত্তি হয়।

(c) ভূ-পৃষ্ঠৰ ওচৰৰ ঠাইবোৰত ..... বায়ু ঊৰ্ধ্বমুখী হয় আৰু ..... বায়ু অধোগামী হয়।

(d) বায়ু ..... চাপ অঞ্চলৰ পৰা ..... -চাপ অঞ্চললৈ যায়।

অনুশীলনী



2 কোনো এখন ঠাইৰ বতাহৰ দিশ নির্ণয় কৰিব পৰা দুটা পদ্ধতিৰ নাম লিখা।

অনুশীলনী




2 কোনো এখন ঠাইৰ বতাহৰ দিশ নির্ণয় কৰিব পৰা দুটা পদ্ধতিৰ নাম লিখা।

উত্তৰ : বতাহত মুক্ত হোৱা শুকান পাতৰ গতিৰ দিশ চাই।

বেনাৰ বা পতাকা লৰচৰ কৰা।

অনুশীলনী



3 | তোমাৰ দুটা অভিজ্ঞতা উল্লেখ কৰা য'ত বায়ুৰ চাপৰ প্ৰমাণ পোৱা গৈছিল। (পাঠ্যপুথিত দিয়াবোৰৰ বাহিৰে)

অনুশীলনী




3 তোমাৰ দুটা অভিজ্ঞতা উল্লেখ কৰা য'ত বায়ুৰ চাপৰ প্ৰমাণ পোৱা গৈছিল। (পাঠ্যপুথিত দিয়াবোৰৰ বাহিৰে)

উত্তৰ :

(i) বেলুনত বায়ু উৰুৱাই দিলে ই বিস্তাৰিত হয়।

(ii) বতাহ উৰিলে দুৱাৰ-খিৰিকীত পৰ্দা লৰচৰ কৰিব পাৰে।

অনুশীলনী



4 তুমি এটা ঘৰ কিনিব বিচাৰিছা। খিৰিকী থকা কিন্তু ভেন্টিলেটৰ নথকা ঘৰ কিনিব বিচাৰিবানে? তোমাৰ উত্তৰৰ ব্যাখ্যা আগবঢ়োৱা।


অনুশীলনী



4 তুমি এটা ঘৰ কিনিব বিচাৰিছা। খিৰিকী থকা কিন্তু ভেন্টিলেটৰ নথকা ঘৰ কিনিব বিচাৰিবানে? তোমাৰ উত্তৰৰ ব্যাখ্যা আগবঢ়োৱা।

উত্তৰ : নাই, বায়ু চলাচলৰ ব্যৱস্থাই কোঠাটোৰ পৰা উষ্ণ বতাহ ওলাই যোৱাৰ পথ প্ৰদান কৰে। ইয়াৰ ফলত কোঠাটো তীব্ৰবেগী বতাহৰ পৰাও ৰক্ষা পৰে।

অনুশীলনী



5 ওলমি থকা বেনাৰ বা হৰ্ডিঙত ফুটা ৰখাৰ কাৰণ দৰ্শোৱা।


অনুশীলনী



5 ওলমি থকা বেনাৰ বা হৰ্ডিঙত ফুটা ৰখাৰ কাৰণ দৰ্শোৱা।

উত্তৰ : বায়ুৰে সকলো দিশতে চাপ প্ৰয়োগ কৰে। এই চাপৰ বাবে বেনাৰ আৰু হৰ্ডিং ছিঙিব পাৰে বা তললৈ পৰিব পাৰে। ফুটাবোৰে বতাহ পাৰ হ'বলৈ দিব আৰু সিহঁত ঢিলা হৈ তললৈ নপৰে।সেয়েহে ওলমি থকা বেনাৰ আৰু হৰ্ডিঙত ফুটা কৰা হয়।

অনুশীলনী



6 তোমাৰ গাঁও বা চহৰত ঘূর্ণিবতাহ আহিলে ওচৰ চুবুৰীয়াক কিদৰে সহায় কৰিবা?

অনুশীলনী



6 তোমাৰ গাঁও বা চহৰত ঘূর্ণিবতাহ আহিলে ওচৰ চুবুৰীয়াক কিদৰে সহায় কৰিবা?

উত্তৰ : মই তলত দিয়া উপায়েৰে সহায় কৰিম —

(i) সকলোকে আগন্তুক বিপদৰ বিষয়ে সতর্ক কৰি।

(ii) আশ্রয়ৰ সন্ধান কৰা।

(iii) পানী আৰু খাদ্যৰ মজুত ৰখা।

(iv) প্রাথমিক চিকিৎসাৰ সুবিধা স্থাপন কৰা।

অনুশীলনী



7 ঘূৰ্ণিবতাহে সৃষ্টি কৰা অৱস্থাৰ লগত মোকাবিলা কৰিবলৈ কেনে ধৰণৰ আগতীয়া পৰিকল্পনাৰ আৱশ্যক?

অনুশীলনী



7 ঘূৰ্ণিবতাহে সৃষ্টি কৰা অৱস্থাৰ লগত মোকাবিলা কৰিবলৈ কেনে ধৰণৰ আগতীয়া পৰিকল্পনাৰ আৱশ্যক?

উত্তৰ :

(i) ঘূৰ্ণীবতাহৰ সতৰ্কবাণী ব্যৱস্থা স্থাপন কৰা।

(ii) ঘূৰ্ণীবতাহৰ আশ্রয় শিবিৰ স্থাপন কৰা।

(iii) খাদ্য আৰু পানী সংৰক্ষণৰ ব্যৱস্থা কৰা।

(iv) প্রাথমিক চিকিৎসাৰ সুবিধা স্থাপন কৰা।

অনুশীলনী



8 তলৰ কোনখন ঠাই ঘূৰ্ণিবতাহৰ কোপত পৰাৰ সম্ভাৱনা নাই —

A চেন্নাই

B মাঙ্গালুৰু (মাঙ্গালোৰ)

C অমৃতসৰ

D পুৰী

অনুশীলনী



9 তলত উল্লেখ কৰা উক্তিবোৰৰ কোনবোৰ শুদ্ধ?

A শীতলকালত বতাহ স্থলভাগৰ পৰা মহাসাগৰলৈ বয়।

B গ্ৰীষ্মকালত বতাহ স্থলভাগৰ পৰা মহাসাগৰলৈ বয়।

C এটা উচ্চচাপ অঞ্চল আৰু তাৰ চাৰিওফালে তীব্ৰ গতিৰে ঘূৰি থকা বায়ুস্ৰোতে ঘূৰ্ণিবতাহ সৃষ্টি কৰে।

D ভাৰতৰ উপকূলবোৰ ঘূৰ্ণিবতাহপ্ৰৱণ নহয়।